DAILY ASSAM

## ১৩। উপসর্গ
## (Prefix)

১৩ ঃ ১ যিবোৰ অব্যয়ে ধাতুৰ আগত বহি বিভিন্ন অৰ্থ প্ৰকাশ কৰে, সেইবোৰক উপসৰ্গ কোৱা হয়। উপসৰ্গ যুক্ত পদবোৰ সাধাৰণতে বিশেষ্য বা বিশেষণ হয়। অসমীয়া ভাষাত সংস্কৃত মূলৰ তৎসম, অৰ্ধতৎসম বা তদ্ভৱ শব্দ প্ৰচুৰ পৰিমাণে ব্যৱহাৰ হোৱা কাৰণে উপসৰ্গযুক্ত পদো অসমীয়া ভাষাত আছে। তেনে পদবোৰৰ সবিশেষ জানিবলৈ উপসৰ্গবোৰৰ লগত পৰিচয় হোৱাটো আৱশ্যক।

**১৩ ঃ ২ সংস্কৃত ভাষাত উপসৰ্গ কুৰিটা ঃ**

যেনে– প্ৰ, পৰা, অপ, সম, নি, অৱ, অনু, নিৰ্, দুৰ্, বি, অধি, সু, উৎ, পৰি, প্ৰতি, অভি, অতি, অপি, উপ আৰু আ। এই কুৰিটা অব্যয়। অকলে বা আন অব্যয়ৰ লগত থাকি ব্যৱহাৰ হ'লে অব্যয় হৈয়ে থাকে। কিন্তু ধাতুৰ আগত যুক্ত কৰি ব্যৱহাৰ কৰিলে উপসৰ্গ হয়। যেনে–

স মাং প্ৰতি সদয়ঃ। ইয়াত 'প্ৰতি' অব্যয়, কিন্তু অহং প্ৰত্যা-গচ্ছামি। ইয়াত 'প্ৰতি' উপসৰ্গ।

১৩ ঃ ৩ একোটা ধাতুৰ বিভিন্ন উপসৰ্গ অকলে অকলে যোগ হ'ব পাৰে নাইবা কেইবাটাও উপসৰ্গ মাথোন একেটি ধাতুত একেলগে যোগ হ'ব পাৰে। যেনে, হৃ ধাতু, ইয়াত 'প্ৰ' যোগ কৰিলে প্ৰহাৰ, 'বি' যোগ কৰিলে বিহাৰ, 'সম' যোগ কৰিলে সংহাৰ, 'পৰি' যোগ কৰিলে পৰিহাৰ। তেনেকৈ অভি + আ + গম্ ধাতু + ক্ত প্ৰত্যয় = অভ্যাগত। ইয়াত অভি আৰু আ দুটা ধাতুত লগ লাগিছে।

১৩ ঃ ৪ বিভিন্ন উপসৰ্গৰ লগত যুক্ত হৈ একোটা ধাতুৱেই কেতিয়াবা (১) অন্য অৰ্থ প্ৰকাশ কৰে ; যেনে– হৃ ধাতুৰ অৰ্থ হৰণ কৰা, কিন্তু সম পূৰ্বক হ'লে সংহাৰ অৰ্থাৎ নাশ কৰা বুজায়। আকৌ কেতিয়াবা (২) বিপৰীত অৰ্থ প্ৰকাশ কৰে, যেনে যোগ কিন্তু বি পূৰ্বক হ'লে বিপৰীত অৰ্থৰ বিয়োগ হয়। আকৌ কেতিয়াবা (৩) ধাতুৰ অৰ্থকে প্ৰকাশ কৰে। যেনে সম্ পূৰ্বক হ'লে সংযোগ, যোগ ধাতুৰ অৰ্থকেই প্ৰকাশ কৰিছে।

১৩ ঃ ৫ কি কি অৰ্থত উপসৰ্গসমূহ সাধাৰণতে ব্যৱহাৰ হয় উদাহৰণ সহ তলত দাঙি ধৰা হ'ল।

প্ৰ ঃ উৎকৰ্ষ, গতি, খ্যাতি, অতিশয়, আৰম্ভ, উৎপত্তি, ব্যৱহাৰ, জ্ঞান আদি অৰ্থত। যেনে– প্ৰকৃষ্ট, প্ৰস্থান, প্ৰসিদ্ধ, প্ৰক্ষিপ্ত ইত্যাদি।

পৰা ঃ ভংগ, অনাদৰ, শ্ৰেষ্ঠ, আধিক্য, অপমান আদি অৰ্থত। যেনে– পৰাজিত, পৰাভূত, পৰায়ণ।

অপ : অনাদৰ, বিভিন্ন, বিৰুদ্ধ, ত্যাগ, বিয়োগ, বিকৃতি, মন্দ, নিৰ্দেশ আদি। যেনে- অপমান, অপকৰ্ম, অপযশ, অপবাদ।

সম্ : উত্তম, একেলগে, অবিশ্ৰাম, সমুদায় ইত্যাদি অৰ্থত। যেনে— সংগীত, সংযোগ, সংসাৰ ইত্যাদি।

নি : নিশ্চয়, নিষেধ, ভিতৰত, তলত, সমীপ আদি অৰ্থত। যেনে— নিবেদন, নিবাস, নিবৃত্তি, নিকৃষ্ট, নিমগ্ন, নিযুক্তি, নিপাত।

অৱ : নিশ্চয়, ঘৃণা, বিস্তাৰ, অভাৱ আদি অৰ্থত। যেনে— অৱগতি, অৱজ্ঞা, অৱবোধ, অৱতৰণ, অৱতাৰ ইত্যাদি।

অনু : পাছত, তুল্য, হীন অৰ্থত। যেনে— অনুজ, অনুৰূপ, অনুচৰ।

নিৰ : নথকা, নিশ্চয়, বাহিৰ, বিনা আদি অৰ্থত। যেনে— নিঃসংগ, নিৰ্মুক্ত, নিৰ্গত ইত্যাদি।

দুৰ : নিন্দা, ক্লেশ, অভাৱ, বাধা, মন্দ ইত্যাদি অৰ্থত। যেনে— দুৰ্নাম, দুৰ্গম, দুৰ্বল, দুষ্ট, দুৰ্ভিক্ষ, দুষ্প্ৰাপ্য, দুৰ্গন্ধ, দুশ্চৰিত্ৰ।

বি : অভাৱ, বিশিষ্ট, দান, বিকাৰ, বেয়া, হীন ইত্যাদি অৰ্থত। যেনে— বিয়োগ, বিপথ, বিপৰীত, বিবাহ, বিকল, বিখ্যাত, বিনয় ইত্যাদি।

অধি : ওপৰত, গৰাকীত্ব, গতি, প্ৰধান আদি অৰ্থত। যেনে—অধিৰাজ, অধিকাৰ, অধিপতি, অধিৰোহণ, অধীশ্বৰ, অধিকাৰ, অধিবাসী।

সু : সুন্দৰ, উজু, প্ৰশংসা, অতিশয় অৰ্থত। যেনে— সুগম, সুশোভিত, সুগন্ধ, সুলভ ইত্যাদি।

উৎ : ঊৰ্ধ্ব, শ্ৰেষ্ঠ, অতিশয় ইত্যাদি অৰ্থত। যেনে— উত্তীৰ্ণ, উৎকৰ্ষ, উন্নত, উদ্ধাৰ।

পৰি : অনাদৰ, ত্যাগ সকলো প্ৰকাৰে, সকলো দিশে, অতিশয় আদি অৰ্থত। যেনে- পৰিহাৰ, পৰিত্যাগ, পৰিণয়, পৰিদৰ্শক, পৰিচয়, পৰিমাণ, পৰিপৰ্ক ইত্যাদি।

প্ৰতি : ওলটা, বৈপৰীত্য, সাদৃশ্য, বিৰোধ, সমুখ, সমীপ ইত্যাদি অৰ্থত। যেনে— প্ৰত্যৰ্পণ, প্ৰত্যাগমন, প্ৰতিশব্দ, প্ৰতিমূৰ্তি, প্ৰতিৰূপ, প্ৰত্যক্ষ, প্ৰতিবেশী, প্ৰতিবাদী, প্ৰতিপন্ন।

অভি : সমীপ, সমুখ, বিৰুদ্ধ, ওচৰ, প্ৰধান আদি অৰ্থত। যেনে— অভিগমন, অভিচাৰ, অভিভাৱক, অভিমুখ, অভিযান, অভিলাষ, অভিসন্ধি।

অতি : অধিক, অতিশয়, অতিৰিক্ত, অনুচিত আদি অৰ্থত। যেনে— অতীত, অতিশয়, অতিবৃষ্টি, অতিৰিক্ত, অতিক্ৰম।

অপি : নিশ্চয়, সম্ভাৱনা, ওপৰ, ওচৰ আদি অৰ্থত। যেনে— অপিনিধান, অপিনিহিত। কিন্তু তথাপি, যদ্যপি, আদিত অপি অব্যয়হে।

উপ : ওচৰ, প্ৰায়-তুল্য, সামান্য, আৰম্ভ আদি অৰ্থত। যেনে— উপকূল, উপস্থিত, উপকাৰ, উপগুৰু, উপমা, উপযুক্ত, উপনিবেশ, উপাসনা, উপদেশ, উপনিষদ ইত্যাদি।

DAILY ASSAM



আ ঃ পৰ্যন্ত, অলপ, সম্যক, সীমা, পুনৰ আদি অৰ্থত। যেনে— আজন্ম, আমৃত্যু, আবালবৃদ্ধ, আভাস, আনন্দ, আহ্লাদ, আভা, আবদ্ধ, আভৰণ ইত্যাদি।

১৩ ঃ ৬ ওপৰত উল্লেখ কৰা উপসৰ্গ কুৰিটা তৎসম ধাতুৰ লগতহে ব্যৱহাৰ হয়। অসমীয়া ধাতু বা প্ৰকৃতিৰ লগত সকলো ক্ষেত্ৰত সকলো সময়তে এই উপসৰ্গবোৰ লগ কৰি ব্যৱহাৰ কৰিব নোৱাৰি। কিন্তু কেইটিমান উপসৰ্গ নাইবা অসমীয়া উচ্চাৰণ মতে সামান্য পৰিবৰ্তিত হোৱা উপসৰ্গ অসমীয়া তদ্ভৱ প্ৰকৃতিৰ লগত ব্যৱহাৰ হয়।

যি কেইটা উপসৰ্গ অবিকৃত বা বিকৃত হৈ অসমীয়া তদ্ভৱ বা আগত প্ৰকৃতিৰ লগত যোগ হয়, সেই কেইটাক দৰাচলতে অসমীয়া উপসৰ্গ বুলিব পাৰি।

**১৩ ঃ৭ অসমীয়া উপসৰ্গ ঃ**

আও— অসমীয়া উচ্চাৰণ বৈশিষ্ট্যৰ কাৰণে সংস্কৃত অপ আৰু অৱ উপসৰ্গ দুটি অসমীয়াত আও হৈছে। আও ব্যৱহাৰ কৰা শব্দ কেইবাটাও দেখা যায়। যেনে-

(১) আও— (অৱ উপসৰ্গৰপৰা উদ্ভৱ হোৱা)

আওহেলা (অৱহেলা)

অপ— উপসৰ্গৰপৰা উদ্ভৱ হোৱা। যেনে—

আওমৰণ (অপমৰণ)

সাদৃশ্যত গঢ়ি উঠা আন আন শব্দ— আওবাট, আওহাত, আওপাক, আওবাৰ, আওকাণ।

(২) উ—সংস্কৃত 'উৎ' উপসৰ্গৰ উচ্চাৰণ বিকৃতি—

উচৰ্গা (উৎসৰ্গ), উচৱ (উৎসৱ), উচাহ (উৎসাহ), উলংঘা (উলংঘন), উলংগ (উন্নগ্ন)।

(৩) বে (বি) — উচ্চাৰণ বৈশিষ্ট্য আৰু ফাৰ্চী 'বে'ৰ প্ৰভাৱত অভাৱ, বেয়া, নথকা আদি অৰ্থত ব্যৱহাৰ হয়। যেনে,

বিলগ্‌— বেলেগ, বিযোৰ— বেযোৰ, বেজোখ, আকৌ সাদৃশ্যত গঢ়া আগত শব্দ বেটাইম, বেআইনী, বেহিচাবী।

(৪) সু— উত্তম, ভাল অৰ্থত ব্যৱহাৰ হয়। যেনে,

সুখবৰ, সুবাতৰি, সুবতৰা, সুজান, সুকাঠী।

(৫) নি—নাই বা নহয় অৰ্থত। (নি আৰু নিৰ্ উপসৰ্গ একে অৰ্থত) যেনে,

নিলগ (দূৰৈ), নিৰহ—নিপানী, নিনাও, নিখোঁজ, নিখুঁত, নিগাজি, নিচিনা, নিচেই, নিছলা, নিবোকা, নিমাখিত ইত্যাদি।